**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-05-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

মটক ৰাজ্যৰ প্ৰতিষ্ঠাপক ৰজা সৰ্বানন্দ সিংহৰ স্মৃতি দিৱস উপলক্ষে আজি মটক জনজাতি বসতিপ্ৰধান অঞ্চলসমূহত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সাহস, বীৰত্ব আৰু স্বদেশপ্ৰেমৰ অম্লান নিদৰ্শনেৰে অসমীয়া জাতিক উদ্বুদ্ধ কৰি যোৱা মটক ৰজাগৰাকীৰ স্মৃতি দিৱসত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তেওঁলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। মুখ্যমন্ত্ৰীয়ে এটা বাৰ্তাত মহান বীৰ পুৰুষগৰাকীৰ ত্যাগ, সাহস আৰু আত্মবলিদানৰ গাথা জাতিটোৰ বাবে অনুপ্ৰেৰণা হৈ ৰ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সৰ্বানন্দ সিংহই দেখুৱাই যোৱা স্বদেশপ্ৰেমৰ ভাৱনাৰে নিজকো উদ্বুদ্ধ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০০০০

মানৱ অধিকাৰ আয়োগে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক আৰক্ষীয়ে হাতকেৰেয়া লগাই আদালতত হাজিৰ কৰোৱা বিষয়টো সন্দৰ্ভত দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। ডিব্ৰুগড় জিলা আয়ুক্তক সবিশেষ নথি-পত্ৰসহ শীঘ্ৰে এই তদন্তৰ প্ৰতিবেদন দাখিল কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। আনহাতে নিৰ্দেশনাটোত ডিব্ৰুগড় আৰক্ষী  অধীক্ষকক শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰৰ তদন্তৰ শেহতীয়া তথ্য মানৱ অধিকাৰ আয়োগক জমা দিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাৰ দুলিয়াজানৰ এটা তেলডিপোত দুটা পক্ষৰ মাজত হোৱা মাৰপিটৰ ঘটনাক কেন্দ্ৰ কৰি কালি কেইবাটাও দল সংগঠনে দুলিয়াজান বন্ধৰ আহ্বান জনাইছিল। ১১ টা জাতীয় জনগোষ্ঠীয় সংগঠনে আহ্বান জনোৱা এই বন্ধৰ সময়ছোৱাত একাধিক বিক্ষিপ্ত ঘটনা সংঘটিত হয়। এই বন্ধৰ প্ৰতি দুলীয়াজানবাসীয়ে স্বতঃস্ফূৰ্ত সঁহাৰি জনোৱাৰ ফলত চহৰখনৰ দোকান-বজাৰ, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, যান-বাহনৰ চলাচল আদি বন্ধ হৈ পৰে।

ইফালে, দুলিয়াজানত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ যোৱা বীৰ লাচিত সেনা অসমৰ মুৰববী শৃংখল চলিহাক ডিব্ৰুগড় আৰক্ষীয়ে ডিব্ৰুগড়ৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষে জনোৱা মতে, শিৱসাগৰৰ পৰা দুলিয়াজানলৈ প্ৰতিবাদৰ  বাবে গৈ থকা অৱস্থাত কালি দুপৰীয়া শৃংখল চলিহাক আটক কৰিছিল যদিও নিশাৰ ভাগত মুকলি কৰি দিয়ে।

০০০০০

তিনিচুকীয়া আৰক্ষীয়ে আজি পুৱাৰ ভাগত অসম-অৰুণাচল সীমান্তত অভিযান চলাই  নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফাৰ এজন সদস্যক আটক কৰে। আৰক্ষীয়ে সদস্যজনৰ পৰা অস্ত্ৰ-শস্ত্ৰ আৰু অন্যান্য সামগ্ৰী উদ্ধাৰ কৰে। আৰক্ষীয়ে আলফা গোটৰ অন্যান্য সদস্যসকলৰ সন্ধানত সীমান্ত অঞ্চলত অভিযান অব্যাহত ৰাখিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত নিটি আয়োগৰ দশম পৰিচালন পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিছে। বৈঠকত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবীন্দৰ সিং সুখু, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱ আৰু চত্তিছগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও চাইকে ধৰি অন্যান্য ব্যক্তিসকল উপস্থিত আছে। বৈঠকত  কেন্দ্ৰীয়শাসিত অঞ্চলৰ উপ-ৰাজ্যপালসকলৰ উপৰি কেন্দ্ৰীয় মন্ত্ৰী তথা নিটি আয়োগৰ উপাধ্যক্ষ, সদস্য আৰু মুখ্য কাৰ্যবাহী বিষয়াই অংশগ্ৰহণ কৰিছে। এই বছৰৰ এই বৈঠকৰ বিষয়বস্তু হৈছে **বিকশিত ভাৰত ২০৪৭ৰ বাবে বিকশিত ৰাজ্য**। এই দশম পৰিচালন পৰিষদৰ বৈঠকে দেশৰ উন্নয়ন প্ৰত্যাহ্বান সমূহৰ বিষয়ে আলোচনা আৰু ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ ভূমিকাক লৈ সহমত পোষণৰ এখন মঞ্চ প্ৰদান কৰিব। সমগ্ৰ দেশজুৰি উদ্যোগীসকলৰ প্ৰচাৰ, দক্ষ্যতাৰ বিকাশ আৰু বহনক্ষম নিয়োগৰ সুযোগ সৃষ্টি সন্দৰ্ভতো এই বৈঠকত আলোচনা কৰা হ'ব। 0000000                                                                                    0000000

নগাওঁ জিলাৰ ঢাকাইপট্টি জেল ৰোডত আজি পুৱা সংঘটিত অগ্নিকাণ্ডত এগৰাকী মহিলাৰ মৃত্যু হয়। আৰক্ষীয়ে মৃত মহলিাগৰাকী অমৰুল খাঁ বুলি চিনাক্ত কৰিছে। আৰক্ষীৰ প্ৰাৰম্ভিক অনুসন্ধানত প্ৰকাশ পোৱা মতে এখন কাপোৰ চিলোৱা দোকানৰ পৰা সুত্ৰপাত হোৱা জুইয়ে মুহুৰ্ততে বহু অংশ আগুৰি ধৰে। অগ্নিনিৰ্বাপন বাহিনীয়ে ততালিকে সেই স্থানত উপস্থিত হৈ জুই নিৰ্বাপন কৰিবলৈ সমৰ্থ হয় যদিও দোকানৰ ভিতৰত থকা মহিলাগৰাকী মৃত অৱস্থাতহে উদ্ধাৰ কৰে।

0000000

মণিপুৰত যোৱা ২০ মে'ৰ পৰা অনুষ্ঠিত পঞ্চম শ্বিৰই লিলি মহোৎসৱৰ সামৰণি অনুষ্ঠান আজি সন্ধিয়া উখৰুল জিলাৰ বাক্সী গ্ৰাউণ্ডত অনুষ্ঠিত অনুষ্ঠিত হব। ৰাজ্যখনৰ বৰণাঢ্য সংস্কৃতি প্ৰতিফলিত কৰা শ্বিৰই লিলিৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰপ্ৰয়াস হিচাপে এই ৫ দিনীয়া মহোৎসৱৰ আয়োজন কৰা হৈছিল। শ্বিৰই লিলি হৈছে মণিপুৰৰ ৰাজ্যিক ফুল আৰু এই বিৰল প্ৰজাতিৰ ফুলবিধ ১৯৪৬ চনত এহাল ব্ৰিটিছ দম্পতিয়ে চিনাক্ত কৰিছিল। মণিপুৰৰ উখৰুল জিলাৰ শ্বিৰই পাৰ্বত্য অঞ্চলত পোৱা এই ফুলবিধ পৃথিৱীৰ আন কোনো অংশতে ৰোপণ কৰি জীয়াব নোৱাৰি বুলি ইম্ফলৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

0000000

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষা কাইলৈ অনুষ্ঠিত হ'ব। দেশৰ বিভিন্ন কেন্দ্ৰৰ লগতে গুৱাহাটীৰ মুঠ ২৬ টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। গুৱাহাটীৰ পৰীক্ষা কেন্দ্ৰসমূহত মুঠ ১০ হাজাৰ ৫৮৭ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পৰীক্ষাৰ্থী, পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত বিষয়া, আৰক্ষী, আৰু চৰকাৰ অথবা জিলা আয়ুক্তৰ কৰ্তৃত্বপ্ৰাপ্ত লোকৰ বাহিৰে আন লোকৰ  প্ৰৱেশ নিষিদ্ধ কৰা হৈছে।

0000000

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষা কাইলৈ অনুষ্ঠিত হ'ব। দেশৰ বিভিন্ন কেন্দ্ৰৰ লগতে গুৱাহাটীৰ মুঠ ২৬ টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। গুৱাহাটীৰ পৰীক্ষা কেন্দ্ৰসমূহত মুঠ ১০ হাজাৰ ৫৮৭ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা

সংহিতাৰ অধীনত কেতবোৰ নীতি নির্দেশনা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ এশ মিটাৰ ব্যাসার্ধৰ ভিতৰত পৰীক্ষাৰ্থী, পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত বিষয়া, আৰক্ষী, আৰু চৰকাৰ অথবা জিলা আয়ুক্তৰ কর্তৃত্বপ্রাপ্ত লোকৰ বাহিৰে আন লোকৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। ০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সংবাদ মাধ্যমৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্রচাৰ কৰিব। ইয়াত ভাগ ল'ব বিশিষ্ট গৱেষক, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দন শৰ্মা আৰু সংবাদ মাধ্যম বিশেষজ্ঞ ৰামন বৰাই। অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। ০০০০

০০০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্রতিযোগিতাত কালি লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৪২ ৰানত পৰাস্ত কৰে। ২৩২ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা বেংগালুৰুৰ দলটোৱে নিৰ্ধাৰিত অভাৰ শেষ হ'বলৈ এটা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই ১৮৯ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ কৰে।

০০০০০০